# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 30-03-2026 **Time :** 18.45 Hrs.

## HEADLINES (1845PM)

:::::::::::::::::::

১। নমো এপ্‌ৰ মাধ্যমেৰে **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত অসমৰ বিজেপি কৰ্মীক উদ্দেশ্যি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণ।

২। ৰাজ্যত বিধানসভা নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ অভিযান।

৩। ৰাজ্যজুৰি জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ লোকৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ।

৪। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ প্ৰথমটো শুনানি সম্পন্ন।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গুৱাহাটীত হ'বলগীয়া খেলত ৰাজস্থান ৰয়েলছ আৰু চেন্নাই ছুপাৰ কিংছ মুখামুখি।

০০০০০০০

PM Assam (30-03-2026) EVE

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আসন্ন বিধানসভা নিৰ্বাচনৰ পূৰ্বে তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ মনোবল বৃদ্ধি কৰাৰ উদ্দেশ্যে আজি নমো এপ্‌ৰ মাধ্যমেৰে মেৰা বুথ সবচে মজবুত কাৰ্যসূচীৰ অধীনত অসমৰ দলীয় কৰ্মীসকলক উদ্দেশি ভাষণ দিয়ে। বিগত এটা দশকত অসমৰ ৰূপান্তৰৰ বিষয়ে আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ৰাজ্যখনে বিভিন্ন ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিয়ে এন ডি এৰ দ্বৈত ইঞ্জিনযুক্ত চৰকাৰ আৰ্হিৰ সফলতাকে প্ৰতিফলিত কৰে। অসমৰ জনসাধাৰণ আৰু পাঁচ বছৰৰ বাবে এন ডি এ মিত্ৰজোঁটলৈ সমৰ্থন আগবঢ়াই উন্নয়নৰ এই যাত্ৰা অব্যাহত ৰাখিবলৈ সাজু বুলি তেওঁ আস্থা প্ৰকাশ কৰে। বিজেপি চৰকাৰৰ সাফল্যৰ বিষয়ে আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে অসম বিগত ১০ বছৰত সন্ত্ৰাসবাদৰ পৰা মুক্ত হৈছে আৰু ৰাজ্যখনত বিভিন্ন ক্ষেত্ৰত ন-ন সুযোগৰ সৃষ্টি হৈছে। তেওঁ লগতে কংগ্ৰেছে ইয়াৰ শাসন কালত শান্তি-শৃংখলা বৰ্তাই ৰখাত ব্যৰ্থ হোৱা বুলি অভিযোগ তোলে। কংগ্ৰেছৰ শাসন কালত শান্তি-শৃংখলাজনিত পৰিস্থিতিৰ বাবে ৰাজ্যখনৰ ভালেসংখ্যক যুৱক-যুৱতীয়ে প্ৰাণ হেৰুৱাবলগীয়া হৈছিল বুলি তেওঁ মন্তব্য কৰে। বড়ো শান্তি চুক্তি সম্পাদনৰ পাছত হোৱা উন্নয়নৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অঞ্চলটোৰ ভালেসংখ্যক যুৱক-যুৱতীয়ে সংঘৰ্ষৰ পৰিৱৰ্তে প্ৰগতিৰ পথ বাছি লৈছে আৰু সুস্থিৰতাৰ পৰিৱেশৰ বাবে শিক্ষা, কৰ্মসংস্থাপন আৰু উদ্যমশীলতাৰ ক্ষেত্ৰত সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে বিত্তীয় সাহায্য, সুলভ স্বাস্থ্য সেৱা, গৃহ নিৰ্মাণ, শিক্ষা আৰু ভূমি পট্টা প্ৰদানকে ধৰি অসমৰ চাহ শ্ৰমিকসকলৰ জীৱনৰ মান উন্নত কৰাৰ বাবে এন ডি এ চৰকাৰে লোৱা বিভিন্ন ব্যৱস্থাৰ বিষয়ে আলোকপাত কৰে। বি জে পি

চৰকাৰে অসমত অনুপ্ৰৱেশকাৰীৰ সমস্যা নিয়ন্ত্ৰণৰ উদ্দেশ্যে ভালেমান পদক্ষেপ লৈছে আৰু অনাগত সময়তো এনে প্ৰচেষ্টা অব্যাহত থাকিব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

ইপিনে, প্ৰধানমন্ত্ৰীগৰাকীয়ে মেৰা বুথ সবচে মজবুত কাৰ্যসূচীৰ জৰিয়তে ৰাজ্যৰ লাখ লাখ তৃণমূল কৰ্মীৰ মনোবল বৃদ্ধি কৰা বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পৱিত্ৰ মাৰ্ঘেৰিটাই জানিবলৈ দিয়ে। তেওঁ লগতে কাইলৈ কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে গুৱাহাটীত বিজেপিৰ সংকল্প পত্ৰ মুকলি কৰিব বুলি প্ৰকাশ কৰে।

বাইট (পৱিত্ৰ মাৰ্ঘেৰিটা)

আনহাতে, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সামাজিক মাধ্যম গোটৰ অধ্যক্ষা সুপ্ৰিয়া শ্ৰীনেটে অনাগত দিনত দলটোৱে তথ্য আৰু পৰিসংখ্যাৰ ভিত্তিত ৰাজ্য চৰকাৰখনৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰ উদঙাই দিব বুলি প্ৰকাশ কৰে। গুৱাহাটীত আজি এখন সংবাদ মেলত শ্ৰীনেটে কয় যে দলটোৱে ভৰিষ্যতে সংবাদ মেলৰ শৃংখলাৰ জৰিয়তে প্ৰতিদিনে চৰকাৰৰ দুৰ্নীতি আৰু অনিয়মৰ কথা সদৰি কৰিব।

ooooo

CAMPAIGN/RNU (30-03-2026) EVE PM

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি জাগীৰোড আৰু বোকাখাতত প্ৰচাৰ চলায়। তেওঁ জাগীৰোডৰ দেওশালত বিজেপি প্ৰাৰ্থী তথা মন্ত্ৰী পীযুষ হাজৰিকাৰ হৈ আৰু বোকাখাটত অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ হৈ প্ৰচাৰ সভাত অংশ লয়। সভাপতিগৰাকীয়ে আজি গোলাঘাট জিলাৰ বোকাখাটত অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থী অতুল বৰাৰ হৈ প্ৰচাৰ চলোৱাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে সভাত উপস্থিত হ'ব নোৱাৰিলে। তেওঁ দলৰ ৰাষ্ট্ৰীয় উপ-সভাপতি বৈজয়ন্ত জয় পাণ্ডাৰ উপস্থিতিত টেলিফোনিক বাৰ্তাৰে জনসাধাৰণক সম্বোধন কৰে। এই সভাত কলিয়াবৰৰ অগপ প্ৰাৰ্থী কেশৱ মহন্ত, ছত্তিশগড়ৰ বিত্তমন্ত্ৰী ওম প্ৰকাশ চৌধুৰীকে ধৰি ভালেসংখ্যক শীৰ্ষ নেতা উপস্থিত থাকে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মাজুলীৰ গড়মূৰৰ মিনি ষ্টেডিয়ামত বিজয় সংকল্প সভাত অংশ লয় আৰু এন ডি এ সমৰ্থিত প্ৰাৰ্থী ভূবন গামৰ হৈ প্ৰচাৰ চলায়। তেওঁ লগতে নাওবৈচা আৰু চিচিবৰগাঁৱত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। সন্ধিয়ালৈ তেওঁ ডিব্ৰুগড়ত এটা ৰোড শ্ব'ত ভাগ ল'ব। মাজুলীত জনসাধাৰণক সম্বোধি ড০ শৰ্মাই এইদৰে কয়-

(বাইট)

বাক্সা জিলাৰ চৰাইমাৰীত আজি বাক্সা সমষ্টিৰ এন ডি এ সমৰ্থিত প্ৰাৰ্থী বি পি এফৰ মনেশ্বৰ ব্ৰহ্মই প্ৰচাৰ চলায়। কামৰূপ মহানগৰ জিলাৰ ৫টা সমষ্টিতে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈছে। ডিমৰীয়া সমষ্টিৰ অসম গণ পৰিষদৰ প্ৰাৰ্থী ড০ তপন দাসে নিৰ্বাচনী প্ৰচাৰৰ অংশ হিচাপে যোৰাবাটত নিৰ্বাচনী কাৰ্য্যালয় মুকলি কৰে। দিচপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে বেলতলাৰ পুৰেৰুণ সংঘৰ বাকৰিত এখন জনসভাত অংশ লৈ

নিৰ্বাচনী প্ৰচাৰ চলায়। নিউ গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী দিপলু ৰঞ্জন শৰ্মাই ভাস্কৰ নগৰৰ বিভিন্ন ঠাইত প্ৰচাৰ চলায়। দিচপুৰ সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ আৰু নিউ গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী শান্তনু বৰাই সমষ্টিটোৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলায়।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈকে ধৰি কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ আন আন প্ৰাৰ্থী সকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি ৫টা প্ৰতিশ্ৰুতিৰে কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে। কংগ্ৰেছ দলৰ নেতা দেৱৱত শইকীয়াই নাজিৰা সমষ্টিত প্ৰচাৰ অব্যাহত ৰাখিছে। একেদৰে দলৰ নেতা ৰিপুণ বৰাই বৰছলা পুঠিমাৰী অঞ্চলত প্ৰচাৰ কাৰ্য্যসূচী ৰূপায়ন কৰে। বিৰোধী ঐক্যৰ প্ৰাৰ্থী লুৰিণ জ্যোতি গগৈয়ে খোৱাং সমষ্টিৰ দুলীয়া কাকতি মণ্ডল আৰু বৰবৰুৱা মণ্ডলত প্ৰচাৰ চলায়। ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে আজি শিৱসাগৰ সমষ্টিত নামতি আলি পঞ্চায়তত বিৰোধী মিত্ৰজোঁটৰ নিৰ্বাচনী প্ৰচাৰত অংশ গ্ৰহণ কৰে।

**A I M I M** দলৰ সভাপতি আছাদুদ্দিন ওৱেইছীয়ে অহা ২ এপ্ৰিলত ৰূপহীহাট, চামগুৰি, দ'লগাওঁ, ধিং, লাহৰীঘাটত আৰু ৩ এপ্ৰিলত বিন্নাকান্দি, গোৱালপাৰা পূব, ধুবুৰী, চেঙা আৰু মন্দিয়াত এ আই ইউ ডি এফৰ হৈ প্ৰচাৰ চলোৱাৰ কথা।

ooooo

ৰাজ্যজুৰি জ্যেষ্ঠ নাগৰিকৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই প্ৰক্ৰিয়াৰ অংশ হিচাপে নিৰ্বাচনী বিষয়া-কৰ্মচাৰীয়ে জ্যেষ্ঠ নাগৰিকৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰিছে। বিশেষভাৱে সক্ষম ভোটদাতাৰ ঘৰতো ভোটগ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। বৰপেটা আৰু বঙাইগাঁও জিলাতো ঘৰে ঘৰে গৈ ৮৫ বছৰ উৰ্ধৰ আৰু দিব্যাংগ লোকৰ ভোটদান প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। বৰপেটাত বিশেষভাৱে গঠিত ২২টা ভোটগ্ৰহণকাৰী দল মাধৱ চৌধুৰী মহাবিদ্যালয়ত স্থাপন কৰা ইভিএম বিতৰণ কেন্দ্ৰ পৰা ৰাওনা হয়। বিয়লি তেওঁলোকে প্ৰথম দিনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া সমাপ্ত কৰি পুনৰ ভোটগ্ৰহণ কেন্দ্ৰলৈ উভতি আহে। বৰপেটা নিৰ্বাচনী জিলাৰ চাৰিটা বিধানসভা সমষ্টি ক্ৰমে বৰপেটা, চেঙা, মন্দিয়া আৰু পাকাবেতবাৰীত মুঠ ৫৫৯গৰাকী ভোটাদাতাৰ ঘৰত ভোটগ্ৰহণ কৰা হ'ব বুলি জিলা নিৰ্বাচনী বিষয়াই সদৰি কৰে।

ooooooo

ৰাজ্যত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন জিলা প্ৰশাসনে ভোটগ্ৰহণ সুকলমে অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। জিলাই জিলাই প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণ চলি থকাৰ লগতে বিভিন্ন সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হৈছে।

যোৰহাটত আজি নিৰ্বাচনী প্ৰস্তুতিৰ অংশ হিচাপে ডি চি বি বালিকা মহাবিদ্যালয় আৰু চি কে বি বাণিজ্য মহাবিদ্যালয়ত প্ৰথম স্তৰৰ নিৰ্বাচনী বিষয়াসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। প্ৰশিক্ষণস্থলীত বিশেষকৈ প্ৰথমবাৰৰ বাবে নিৰ্বাচনী দায়িত্ব লাভ কৰা বিষয়াসকলৰ ব্যৱহাৰিক জ্ঞান আৰু সজাগতাৰ বাবে এটা নমুনা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হয়। কেন্দ্ৰটোৰ জৰিয়তে বিষয়াসকলক নিৰ্বাচনৰ দিনা পালন কৰিবলগীয়া দায়িত্ব আৰু প্ৰক্ৰিয়াসমূহৰ প্ৰত্যক্ষ অভিজ্ঞতা প্ৰদান কৰা হয়। প্ৰশিক্ষণৰ অভিজ্ঞতা সন্দৰ্ভত এগৰাকী পোলিং বিষয়াই এইদৰে কয়-

বাইট (পোলিং বিষয়া)

জিলা আয়ুক্ত জয় শিৱানীয়ে যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালিকা বিদ্যালয় পৰিদৰ্শন কৰি নিৰ্বাচনী ষ্ট্ৰং ৰূমৰ প্ৰস্তুতি আৰু নিৰাপত্তা ব্যৱস্থাৰ বুজ লয়। পৰিদৰ্শন কালত তেওঁ বিদ্যালয়খনত স্থাপন কৰা টিয়ক বিধানসভা সমষ্টিৰ ষ্ট্ৰং ৰূমৰ নিৰ্মাণ আৰু সুৰক্ষা সম্পৰ্কীয় দিশসমূহ পুংখানুপুংখভাৱে পৰীক্ষা কৰাৰ লগতে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়।

মৰিগাঁও নিৰ্বাচনী জিলাতো বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আজি ভোটগ্ৰহণ কেন্দ্ৰসমূহত ন্যূনতম সা-সুবিধাসমূহ সুনিশ্চিত কৰিবলৈ জিলা আয়ুক্ত অনামিকা তিৱাৰীয়ে বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। জিলা আয়ুক্তগৰাকীয়ে কয় যে নিৰ্বাচনী প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাৰ ক্ষেত্ৰত বিদ্যালয় প্ৰধানসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁ শিক্ষকসকলক শিক্ষানুষ্ঠানৰ চৌহদ আৰু সন্মুখ ভাগ পৰিস্কাৰ কৰি ৰখাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে।

চিৰাঙত আজি সাধাৰণ নিৰ্বাচন পৰ্যবেক্ষকে নিৰ্বাচনী বিষয়া-কৰ্মীসকলৰ প্ৰশিক্ষণ কেন্দ্ৰ পৰিদৰ্শন কৰে আৰু নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লয়। পৰিদৰ্শন কালত পৰ্যবেক্ষকগৰাকীয়ে বিষয়া আৰু প্ৰশিক্ষকসকলৰ সৈতে মত বিনিময় কৰে আৰু সামৰ্থ্য বৃদ্ধিৰ বাবে লোৱা ব্যৱস্থা মূল্যায়ন কৰে। উল্লেখযোগ্য যে জিলাখনৰ ছিদলী-চিৰাং আৰু বিজনী বিধানসভা সমষ্টিৰ ভোটগ্ৰহণৰ বাবে নিয়োজিত পোলিং বিষয়াসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ ইতিমধ্যে সম্পন্ন হৈছে।

ooooo

বিধানসভা নিৰ্বাচন শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যজুৰি নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। প্ৰথমবাৰৰ বাবে এটা পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে কেইবা তৰপীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। সুৰক্ষাজনিত দিশৰ প্ৰতি লক্ষ্য ৰাখি বহিঃৰাজ্যৰ পৰা কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ বহুকেইটা বেটেলিয়নৰ ভালেসংখ্যক জোৱান নিয়োগ কৰা হৈছে। তদুপৰি গৃহৰক্ষী আৰু বিভিন্ন পদৰ বিষয়াকে ধৰি ৭৪ হাজাৰৰো অধিক অসম আৰক্ষীৰ বিষয়া জোৱানক নিয়োগ কৰা হৈছে। ইপিনে আন্তঃৰাজ্যিক আৰু আন্তঃজিলা সীমান্তত চিচিটিভি নিৰীক্ষণৰ ব্যৱস্থাৰ উপৰি তালাচী অভিযান তীব্ৰতৰ কৰি তোলা হৈছে। ৰাজ্যৰ ১৩৪টা সীমান্ত পহৰা চকীত অহৰ্নিশে ফ্লায়িং স্কোৱাডে সূক্ষ্মভাৱে তালাচী অভিযান চলাই আছে। কাছাৰ জিলাত ফ্লায়িং স্কোৱাডে বৰ্তমানলৈকে ১৩ লাখৰো অধিক নগদ ধন, প্ৰায় ৯ লাখ টকাৰ সুৰা, প্ৰায় ১২ লাখ টকাৰ মাদকদ্ৰব্য জব্দ কৰিছে।

oooooooo

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ আজি প্ৰথমটো শুনানি আজি অনুষ্ঠিত হয়। প্ৰথমটো শুনানিত ৰাজ্য চৰকাৰৰ হৈ প্ৰতিনিধিত্ব বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে গোচৰটোৰ বৰ্তমানৰ স্থিতিৰ বিষয়ে আদালতৰ সন্মুখত বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। ইয়াৰ পাছতে অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ বিৰুদ্ধে আৰোপ কৰা গোচৰৰ ধাৰাৰ পৰা ৰেহাই বিচাৰি দাখিল কৰা আবেদনৰ সপক্ষে অধিবক্তা আনন্দ কুমাৰ ভূঞাই যুক্তি প্ৰদৰ্শন কৰে। অমৃতপ্ৰভা মহন্তৰ অধিবক্তাৰ যুক্তিৰ পাছত আদালতে কাইলৈ পুৱাৰ ভাগত অভিযুক্ত শ্যামকানু মহন্ত আৰু বিয়লিৰ ভাগত সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাই

যুক্তি প্ৰদৰ্শন কৰিব। ইপিনে, অভিযুক্ত নন্দেশ্বৰ বৰাই বিশেষ তদন্তকাৰী গোটে জব্দ কৰা তেওঁৰ মোবাইল ফোনটো জিম্মাত বিচাৰি আদালতত এখন আবেদন দাখিল কৰে। কিন্তু বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে সংশ্লিষ্ট ফোনটো তথ্য প্ৰমাণৰ এটা গুৰুত্বপূৰ্ণ সমল বুলি যুক্তি দৰ্শাই এনে আবেদনৰ বিৰোধিতা কৰে। পাছত আদালতে উভয় পক্ষৰ যুক্তি শুনি অভিযুক্ত নন্দেশ্বৰ বৰাই নিজৰ মোবাইল ফোনটো জিম্মাত বিচাৰি দাখিল কৰা আবেদনখন নাকচ কৰে। আজিৰ আদালতৰ শুনানি প্ৰক্ৰিয়াত উপস্থিত থকা জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে ফাষ্ট ট্ৰেক আদালতত আজিৰে পৰা চলা গোচৰটোৱে আশাৰ ৰেঙণি কঢ়িয়াই আনিছে বুলি মন্তব্য কৰে।

০০০০০০০

৯ এপ্ৰিলত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনত ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইয়াৰে ৫৯ গৰাকী মহিলা আৰু ৬৬৩ গৰাকী পুৰুষ প্ৰাৰ্থী। আলগাপুৰ কাটলিছেড়া আৰু দক্ষিণ কৰিমগঞ্জ সমষ্টিত সৰ্বাধিক ১৫গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইয়াৰ বিপৰীতে ৰঙিয়া, জাগীৰোড, হোজাই, ন-দুৱাৰ, জোনাই, ডুমডুমা, মাহমৰা, টীয়ক আৰু লক্ষীপুৰ এই ৯ টা সমষ্টিত সৰ্বনিম্ন ২ গৰাকীকৈ প্ৰাৰ্থী প্ৰতিদ্বন্দিতাত অৱতীৰ্ণ হৈছে। সমাগত বিধানসভা নিৰ্বাচনত বিজেপিৰ ৯০ গৰাকী, কংগ্ৰেছৰ ৯৯ গৰাকী, আম আদমী পাৰ্টিৰ ১৮ গৰাকী, চি পি আইৰ ২ গৰাকী , অসম গণ পৰিষদৰ ২৬ গৰাকী, এ আই ইউ ডি এফৰ ৩০ গৰাকী, ইউ পি পি এলৰ ১৮ গৰাকী, অল ইণ্ডিয়া ফৰৱাৰ্ড ব্লকৰ ২ গৰাকী, ৰাইজৰ দলৰ ১৩ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দিতাত অৱতীৰ্ণ হৈছে। এই নিৰ্বাচনত ২৫৮ গৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০০